# গুৰুসেৱা

আৰু

# ভক্তি।

লিখক—

নৰোৱা সত্ৰীয়া—

শ্ৰীশ্ৰীশিৱেন্দ্ৰনাৰায়ণ দেৱ অধিকাৰ গোস্বামী

আৰু

অধ্যাপক— শ্ৰীমহেশচন্দ্ৰ দেৱ গোস্বামী।

=পাঠচক্ৰ=

হয়বৰগাওঁ,

নগাওঁ (অসম)

বেচ— ||০ অনা।

প্ৰকাশক—

"পাঠচক্ৰ"

পোঃ—হয়বৰ গাওঁ,

নগাওঁ (অসম)

ছাপোতা—

সুৰেন প্ৰেছ, নগাওঁ

প্ৰথম সংস্কৰণ

মাঘ, ৫০২ শ্ৰীশঙ্কৰাব্দ

( জানুৱাৰী ১৯৫১ )

প্ৰকাশকৰ দ্বাৰা সৰ্ব্বস্বত্ব সংৰক্ষিত

বান্ধিছে—লোকেল বুক বাইণ্ডিংৱৰ্কস্

হচপিতাল ৰোড, নগাওঁ।

# আমাৰ চেৰেক

আমাৰ এই অসমত বৰ্ত্তমান মাহেকীয়া, এঘাৰদিনীয়া হৰিধ্বনীয়া আদি অনেক বিধৰ লোকৰ বিভিন্ন দল সৃষ্টি হল। সেইবোৰৰ বাহিৰেও কোনোক বামুণ নলগা, কোনোবাক গুৰু গোঁসাই নলগা আদিও স্থান ভেদে অনেক দেখা যায়। উক্ত কাৰণ বশতঃ আমাৰ বক্তব্য আৰু মন্তব্যাদি এই পুস্তিকাত সন্নিবিষ্ট কৰা হৈছে। তদুপৰি যি সকল লোকে গুৰুগিৰি অৰ্থাৎ ধৰ্ম্মাচাৰ্য্য বাব লৈ প্ৰচাৰ কাৰ্য্য চলাইছে, সেই সকল লৈকো শাস্ত্ৰোক্তিৰে কৰ্ত্তব্যপথ আদি দেখুৱা হৈছে। বিদ্যা বুদ্ধিত আমি মহামূৰ্খ, তথাপি মহাপুৰুষ গুৰু জনাৰ পৱিত্ৰ নামধৰ্ম্মৰ নামত বৰ্ত্তমান প্ৰচলিত অন্যায় অধৰ্ম্মৰ উদ্ভণ্ডালি বোৰ সহিব নোৱাৰি প্ৰলাপ ৰূপে নিসৃত হলেও সহৃদয় পাঠক সকলে আমাৰ বাক্যক বাদ দি থৈয়ো শাস্ত্ৰৰ উক্তিবোৰ অলপ দকৈ চিন্তা কৰিব বুলি আমাৰ আশা।

পুস্তিকাখনি সংগ্ৰহ কৰি থোৱা বহুত দিন হল কিন্তু অৰ্থাভাৱত প্ৰকাশ কৰিব নোৱাৰাত চুকত পৰি আছিল। এদিন মদীয় জ্যেষ্ঠ ভ্ৰাতৃ পুত্ৰ নগাওঁ কলেজৰ অধ্যাপক মহেশচন্দ্ৰ দেৱ গোস্বামীৰ লগত কথা প্ৰসঙ্গত এই পুথি খনিৰ বিষয় ওলায়, আৰু

তেওঁ এই পুথিকা খনি প্ৰকাশৰ ভাব লোৱাত ইয়াৰ সৰ্ব্বস্বত্ব তেওঁকে অৰ্পণ কৰি দিলো। ইয়াত মোৰ নামৰ বাহিৰে আৰু অন্য একো স্বত্বাদি নাথাকিব।

সদৌ শেষত মদীয় তৃতীয় পুত্ৰ শ্ৰীমান কেশৱানন্দ দেৱ গোস্বামীয়ে পুথি খনি নকল কৰি আৰু সংগ্ৰহৰ সময়ত মাজে সময়ে দুই এটি কথা উন্মুকিয়াই দিয়াৰ বাবে তেওঁবো শলাগ লৈ আশীৰ্ব্বাদ কৰা হল।

ইতি—

পোঃ বালিসত্ৰ (নগাওঁ)
১৮৭২ শক, আহিন।

শ্ৰীশিৱেন্দ্ৰ নাৰায়ণ দেৱাধিকাৰ গোস্বামী
নবোৱা বালিসত্ৰ

## আমাৰ এষাৰ

ধৰ্ম্মৰ মূলৰ পৰা আঁতৰি গৈ বাকবিতণ্ডাত লাগি আমি ধৰ্ম্মৰ গ্লানি আনিবলৈ ধৰিছোঁ। আজিৰ সামাজিক ভাঙণৰ কালত এই কথা দকৈ ভাবি চাব লগীয়া হৈছে। পূজনীয় শ্ৰীশ্ৰীযুক্ত খুৰাআতাৰ 'গুৰু সেৱা' সম্বন্ধীয় ৰচনা খনিৰ লগতে নিজৰো ধৰ্ম্ম আৰু ভক্তি নামৰ ৰচনা দুখন লগ লগাই ছপাই দিয়া হল। যোগ্যতাৰ বিচাৰ পাঠক সমাজৰ ওপৰত।

মাঘ,
৫০২ শ্ৰীশঙ্কৰাব্দ

শ্ৰীমহেশচন্দ্ৰ দেৱ গোস্বামী,
অধ্যাপক, নগাওঁ কলেজ

# গুৰু সেৱা।

## প্ৰথম অধ্যায়।

### গুৰুৰ আৱশ্যকতা!

জয় গুৰু শঙ্কৰ সৰ্ব্ব গুণাকৰ
যাকেৰি নাহি অনুপাম।
তোহাৰি চৰণে ৰেণু শত কোটি
বাব কৰোহো প্ৰণাম॥

আজি প্ৰায় ছশ বছৰৰ পূৰ্ব্বে অসম দেশ ব্যভিচাৰত পৰি ধৰ্ম্মনীতি আদি একো নোহোৱা হৈ অসমৰ ধৰ্ম্মাকাশ খন আঁউসীৰ আন্ধাৰৰ দৰে ঘোৰ অন্ধকাৰত পৰিণত আছিল! আৰু শাক্ত শৈৱ্য অঘোৰ কালী আদি নানা ব্যভিচাৰ মতো লোক

সকলে প্ৰচলন কৰিছিল, আনকি স্থান অনুসৰি নৰ বলিবো প্ৰথা চলিছিল । ভগবানে গীতাত কৈছে—

যদা যদাহি ধৰ্ম্মস্য গ্লানিৰ্ভবতি ভাৰত ।
অভ্যুত্থানমধৰ্ম্মস্য তদাত্মানং সৃজাম্যহম্ ॥
পৰিত্ৰাণায় সাধুনাং বিনাশায় চ দুস্কৃতম্ ।
ধৰ্ম্মসংস্থাপনাৰ্থায় সম্ভবামি যুগে যুগে ॥

ধৰ্ম্মৰ গ্লানি আৰু অধৰ্ম্মৰ বল বাঢ়িলেই ধৰ্ম্ম স্থাপনৰ হেতু ভগবান এক ৰূপত আবিৰ্ভূত হৈ দুৰ্জ্জনক নাশি সাধু সকলক সংস্থাপন কৰি সৃষ্টি ৰক্ষা কৰে । আজি পাঁচশ বছৰৰো পূৰ্ব্বে মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰ দেৱ গুৰু অৱতাৰ হৈ পাপ আন্ধাৰ দূৰ কৰি ধৰ্ম্মৰ জ্যোতিৰে অসম তথা ভাৰত আলোকিত কৰি বিশুদ্ধ ভাগৱতী ধৰ্ম্ম প্ৰচাৰ কৰিলে, জাতি বৰ্ণ নিৰ্ব্বিশেষে সকলোৱে সেই অমিয়া পান কৰিলে । আজিৰ দুৰ্দ্দশাগ্ৰস্ত অসমৰ ধৰ্ম্ম ক্ষেত্ৰৰ দৰে সেই সময়ত জাতি ভেদ বিচাৰ যে নাছিল, তাৰ প্ৰমাণ দ্বিতীয় স্কন্ধ ভাগৱতত গুৰু জনাই লিখি থৈ গৈছে—

কিৰাত কছাৰী খাচি গাৰো মিৰি যৱন কঙ্ক গোৱাল ।
অসম মলুক ৰজক তুৰক কুমাৰ ম্লেছ চণ্ডাল ॥ ৪৭৪ ॥



আনো পাপী নৰ কৃষ্ণ সেৱকৰ সঙ্গত পবিত্ৰ হয় ।
ভকতি লভিয়া সংসাৰ তৰিয়া বৈকুণ্ঠে সুখে চলয় ॥

কিন্তু আজ সেই গুৰু জনাৰ ধৰ্ম্মৰ নামত হৈছে কি ? শ্ৰীমন্তশঙ্কৰ দেৱে ধৰ্ম্ম প্ৰচাৰ কৰাৰ সময়ত সেই সময়ত অসমত থকা অন্যান্য পন্থাৱলম্বী সকলে গুৰু জনাৰ ধৰ্ম্মক হেয় প্ৰতিপন্ন কৰাৰ উদ্দেশ্যে অনেক ৰটনা আৰু হিংসা অসূয়াদি চলাইছিল । কিন্তু সত্যৰ সদায় জয়— গুৰু জনাক কোনেও একো কৰিব নোৱাৰিলে যদিও পূৰ্ব্বৰ ঈৰ্ষাত পিচৰ কালত তেৰাৰ বিশুদ্ধ ধৰ্ম্মৰ নামত অনেক অন্যায় অধৰ্ম্ম সুমুৱাই প্ৰতিশোধ নোলোৱাকৈ থকা নাই । তাৰ প্ৰমাণ—

শঙ্কৰৰ শুদ্ধশিষ্য মাধৱেসে জানা নিষ্ঠ
তেহো পাছে বৈকুণ্ঠক গৈলা ।
শঙ্কৰৰ শুদ্ধ ধৰ্ম্ম তাক ধ্বজা কৰি লোকে
স্বকি মতে প্ৰবৰ্ত্তিৱে লৈলা ॥
তাসম্বাৰ সঙ্গী যত আছিলেক মানে ঐত
পৃথিবীত নাহি একোজন ।
কাৰ শিক্ষা ধৰিবোহো কাৰবোল কৰিবোহো
কাৰ বোধে জুৰাইবেক মন ॥

বুলি নঘোষাত মহাপুৰুষৰ নাতি পুৰুষোত্তম ঠাকুৰদেৱে লিখি থৈ গৈছে। বৰ্ত্তমানো গুৰু জনাৰ এক শৰণীয়া ধৰ্ম্ম আছি গোটেনীয়া হিচাপে দেখা নাযায়— ধৰ্ম্মৰ আচৰণীয় নীতিৰ লগত অৱলম্বনৰ প্ৰথাৰ আজি কালি বহুত পাৰ্থক্য। এই বিষয়ৰ দোষ বিচাৰিলে বৰ্ত্তমান সমাজৰ বৰমূৰীয়া গুৰি ধৰা আদি সাধু মহন্ত সকলৰ গাতেই দেখা যায়। কিন্তু সমাজতো কিছু পৰিমানে দোষৰ ভাগ নপৰাকৈ নেথাকে যেন পাওঁ। ধৰ্ম্মাচাৰ্য্য হলে কেনেকুৱা হব লাগে তাকো ক্ৰমে লিখা হল।

শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনাই নাই নাই নাই
আমাৰ পৰম গুৰু॥ নাম ঘোষা॥
শঙ্কৰেসে গুৰু মোৰ প্ৰিয়তম আত্মা হৰি
শঙ্কৰত বিনে নাহি আন।
ইহ লোকে পৰ লোকে শঙ্কৰেসে গুৰু মোৰ
শঙ্কৰক স্মৰি যাওক প্ৰাণ॥ ন ঘোষা॥

আকৌ গুৰুৰ আৱশ্যকতা আৰু উপযুক্ততাকো চাওক—



মাধৱ দীন মুৰুখ মতি কহয় বাণী শুন সব লোই।
বিনা গুৰু চৰণে ভকতি ৰতি মুকুতি কবহো নহোয়॥
গুৰু ভটিমা॥

বিষ্ণু ভকতৰ সঙ্গ লৈব প্ৰথমত।
গুৰু মানি শুশ্ৰুষা কৰিবে ভাল মত॥
লৈয়া উপদেশ মাধৱক আৰাধিব॥
যতেক সুকৃতি মানে কৃষ্ণত অৰ্পিব॥ কীৰ্ত্তন॥

মাধৱে বোলন্ত সখি শুনা পৰিচ্ছেদ।
পঢ়ে সৰ্ব্ব শাস্ত্ৰ যদি জানে চাৰি বেদ॥
তথাপি কৰিবে মোত নপাৰে ভকতি।
যাৱত নলৱে সন্ত গুৰুৰ সঙ্গতি॥ একাদশ স্কন্ধ ভাগৱত॥

আমাক চিনাৱে যিটো গুৰু কৃপাময়।
সেহিসে পৰম বন্ধু জানিবা নিশ্চয়॥ একাদশ-ভাগৱত

নৰ তনু নৌকা ইটো সুদৃঢ় সংসাৰ।
উপদেশ দাতা গুৰু ইহাৰ কাণ্ডাৰ॥
অনুগ্ৰহই কুল বায়ু হুয়া কৰো পাৰ।
তথাপি নতৰে ইটো দুৰ্ঘোৰ সংসাৰ॥
সেহি নৰে কৰে কৌতুকতে আত্মাঘাত।
আপোনাক আপুনি পেলাৱে যাতনাত॥ একাদশ ভাগৱত

তিনি জন মহা গুৰু সংসাৰী লোকৰ।
জ্ঞান দাতা গুৰু তাতে অতি শ্ৰেষ্ঠতৰ॥

জ্ঞান দাতা গুৰুৰ সমান নাহি আন।
নাহি ধৰ্ম্ম আন গুৰু সেৱাৰ সমান ॥ দশমস্কন্ধ ভাগৱত
দেখান্ত ঈশ্বৰে কেনে গুৰুত ভকতি।
কৰা গুৰু সেৱা যাৰ আছে কৃষ্ণ মতি ॥
কৃষ্ণৰ মাহাত্ম্য যিটো কহে নিৰন্তৰ।
গুৰু ৰূপ কৃষ্ণ সেহি জানিবা লোকৰ ॥ ভাগৱত দশমস্কন্ধ
বৈষ্ণৱক লাগ পাই . শীল শিক্ষা কিছু নাই
শৰণ ভজন ভক্তি যত।
তথাপিতো সিটো জনে বুলিয়া ফুৰয় কেনে
ইটো কথা সাধুৰ সন্মত ॥
ইটো নৰ তনু নাব গুৰু আৰ কৰ্ণধাৰ
অনু কুল বায়ু আত হৰি।
হেন নৰ তনু পাই নতৰয় যিটো ভাই
সিটো মৰে আত্মাঘাত কৰি ॥ ন ঘোষা ॥
সামান্যো নিস্তৰে গুৰু উপদেশ পায়।
হৰিৰ ভকতি গুৰুসেৱা বিনে নাই ॥
ভক্তি জ্ঞান দাতা গুৰু পূজ্য অতিশয়।
সেহি হেতু গুৰু আৰে কহিলো ত্ৰিতয় ॥ ৰত্নাকৰ ॥
সবে আশ্ৰমীত কহে ঈশ্বৰ জ্ঞানক।
দেয় উপদেশ যিটো ভকতি পথক ॥



সিয়ো জন জানা মই সাক্ষাতে ঈশ্বৰ।
জগততে পূজ্য আতি নাহি তাত পৰ ॥ ৰত্নাকৰ ॥
ভক্তি জ্ঞান দাতা গুৰু বিনে সেব্য নাই।
কহিলোহো প্ৰতি প্ৰতি তোমাক বুজাই ॥
গৃহাশ্ৰমী বানপ্ৰস্থী ব্ৰহ্মচাৰী আতি।
যাৰ যিটো ধৰ্ম্ম আচৰয় দিনে ৰাতি ॥
ইসব ধৰ্ম্মতো তুষ্ট নুহিকো সিমতে।
যেন তুষ্ট হওঁ মই গুৰু ভজনতে ॥ ভাগৱত-দশমস্কন্ধ
উত্তম গুৰুৰ পাৰে কৰোক ভকতি।
তেবেসে তৰিবে ঘোৰ সংসাৰ দুৰ্গতি ॥
জ্ঞান দাতা গুৰু বিনে সেব্য নাহি আন।
গুৰু সেৱা বিনে ধৰ্ম্ম নাহিকে প্ৰধান ॥ দশমস্কন্ধ-ভাগৱত
সন্ত উপদেশে হৰি চৰণে ভজিয়ো।
হৰি নাম নিৰমল আনন্দে মজিয়ো ॥ নাম ঘোষা ॥
গুৰু শুশ্ৰূষয়া ভক্ত্যা সৰ্ব্ব লাভাৰ্পণেণচ।
সঙ্গেন সাধু ভক্তানামীশ্বৰাৰাধনেনচ ॥ সপ্তম-ভাগৱত
সৰ্ব্বৈসৎ কৰ্ম্মানাং সাক্ষ্যাদি জাতেৰিহ সম্ভৱ।
আদ্যোঙ্গ যদ্ আশ্ৰমিনাং যথাহং জ্ঞানদোগুৰু ॥ দশম-ভাগঃ
নন্বৰ্থ কোবিদা ব্ৰাহ্মন্ বৰ্ণাশ্ৰম বতামিহ।
যে ময়া গুৰুণা বাচা তৰন্ত্যঞ্জোভবাৰ্ণৱ ॥ দশম-ভাগঃ

নৃদেহ মাদ্যং সুলভং সুদুর্লভমপ্লবং সুকল্পং গুরুকর্ণধারম
ময়ানুকুলেন নভস্বতেরিতং পুমান্ ভবাব্ধিং নতরেৎ সাত্মহা ॥ একাদশ ॥
ইত্যাদি কৰি গুৰু লোৱা, ত্যাগ কৰা আৰু বিচাৰ কৰা আদিৰ বিষয়ে বিভিন্ন গ্ৰন্থত সুস্পষ্ট পন্থ আছে। গুৰু বিচাৰৰ আহিঁও চাওক—
বিশুদ্ধ মাতাপিত্ৰ্যাপি জিতেন্দ্ৰিয় সৰ্ব্বাগমশ্চ পৰদুঃখ কাতৰঃ
যথাৰ্থ বাগেদাঙ্গ পাৰগঃ শান্ত কুলীনো গুৰুৰীতো দ্বিজ ॥ বিশ্বসাৰ ॥
ৰাগ লোভ মায়া মদ মল কাম দম্ভ দ্বেষ্য আদি ভাব।
যি গুৰু সৰত ইসব নথাকে প্ৰণামো তাহান পাৱ ॥
নাম ঘোষা ॥
নজানে শাস্ত্ৰৰ নয় যেহি আসে তাকে কয়
ছেদিবাকো নপাৰে সংশয় ।
গুৰু বোলাই তথাপিতো ফুৰিয়া লোকৰ মাজে
মান্য সতকাৰ খুজি লয় ॥ নাম ঘোষা
যদিবা পণ্ডিত ভৈল নুহিকে ভকত ।
তাৰ উপদেশে জ্ঞান নোপজে কৃষ্ণত ॥
যদি বা ভকত ভৈল নুহিকে পণ্ডিত ।
শিষ্যৰ সংশয় তবে নপাৰে খণ্ডিত ॥



শাস্ত্ৰৰো জানন্ত তত্ত্ব কৃষ্ণত ভকত ।
সেহি গুৰু উপদেশ দিবাক শকত ॥ নৰসিদ্ধ ॥
শ্বিত্ৰীচৈব গলৎ কুষ্ঠো নেত্ৰৰোগী চ বামন।
কুলক্ষ্মা শ্যামদন্তশ্চ স্ত্ৰীজিতশ্বাধিকাঙ্গক
হীনাঙ্গ কপটো ৰোগী বহ্বাশী বহুজল্পক।
এতৈদোষৈৰ্বিবমুক্তোয়ঃ সঃ গুৰু শিষ্য সম্মত ॥
ক্ৰিয়া সাৰ ॥
গুৰু ত্যাগ বা গুৰু পুত্ৰাদি ত্যাগ কৰাৰ যুক্তি কি আমি বুজিব নোৱাৰো, মাথো ইয়াকে জানো— ৰুদ্ৰযামলত আছে—
গুৰোস্ত সন্ততিংত্যক্তা ন গুৰ্ব্বন্তৰমাশ্ৰয়েৎ ।
গুৰু নিন্দা নকৰ্ত্তব্যা ন শ্ৰোতব্যা কদাচন ॥
গুৰুৰভাবে চাৰ্ব্বাঙ্গি গুৰু পত্নী প্ৰপূজয়েৎ।
তদাভাবেচ স্বাৰ্ব্বাঙ্গি গুৰু পুত্ৰং সমৰ্চ্চয়েৎ ॥
তদাভাবেচ ৰৰাৰোহে গুৰু কন্যাঞ্চ পূজয়েৎ ।
এষাম ভাবে চাৰ্ব্বাঙ্গি গুৰু গোত্ৰং প্ৰপূজয়েৎ ॥
ইত্যাদি কাৰণত পূৰ্ব্বতেই গুৰু চাই লৈহে শৰণ লব লাগে। ওপৰত উল্লেখ কৰাৰ দৰে গুৰু উপযুক্ত নহলে তেওঁ অপৰক তৰোৱা দূৰৰ কথা নিজেই সংসাৰ জলধিত হাবুডুবু খাই ফুৰিব লগাত পৰে।

দেশত বৰ্ত্তমান চলিত ( সত্ৰাদি সম্বন্ধীয় ) কিছুমান দুৰ্নীতিৰ ফলত গুৰু জনাৰ ধৰ্ম্মৰ প্ৰতি বাইজৰেই এটি দলৰ অবজ্ঞা আওহেলা আদি আহি পৰিছে । শিক্ষিত সমাজৰ দুই এজনৰ এই বিষয়ে চকু পৰিছে, কিন্তু পূৰ্ব্বৰ বিশুদ্ধ মতলৈ বৰ্ত্তমানৰ ভুল ভাঙি গঢ়ি তুলিব নোৱাৰি হয়তো ত্যাগ নতুবা আওহেলা কৰিছে । কিন্তু ৰাম বনবাসৰ চাবি কাঠি মন্থৰাৰ দৰে বৰ্ত্তমান সমাজৰ এই ধ্বংসমুখী দুৰৱস্থাৰো চাবি কাঠি যে সমাজৰ বৰমূৰীয়া সন্ত সাধু নামধাৰী সকলৰ মাজৰে এটি দল, সেই কথা ব্যক্ত কৰি কলেও বোধ হয় বগাকোৱা হে হব লাগিব । অসমৰ বিভিন্ন সত্ৰৰ পূৰ্ব্বত ৰাজদত্ত ভূমি সম্পত্তি আদিৰ উত্তৰাধিকাৰী সকলেই হয় বৰ্ত্তমান ধৰ্ম্মৰো উত্তৰাধিকাৰী ; আৰু তেনে সত্ৰাধিকাৰৰে এনেকুৱাও দুই এজন পোৱা যায় – যি জনে নাম প্ৰসঙ্গ আদি নিত্য কৰ্ম্ম খিনিকেই সম্পূৰ্ণ নোৱাৰে বা নেজানে। কিন্তু ভূমি সম্পত্তিৰ উত্তৰাধিকাৰী হৈয়েই শৰণ দিয়াৰ একমাত্ৰ স্বত্ব তেওঁহে পায় আৰু গুৰু জনাৰ বিশুদ্ধ নাম ধৰ্ম্মৰ নামত গ্লানি আনি কৰ বৰঙনি হিচাপলৈ তাণ্ডব নৃত্য কৰে । যদি উপযুক্ততালৈ



নেচাই পুত্ৰ বা জ্যেষ্ঠ কিম্বা পুষ্য হিচাপেহে ধৰ্ম্মৰো প্ৰচাৰাদি বাব পাব পাৰি, তেন্তে মহাপুৰুষ গুৰুৰ দুজনা পুত্ৰ থকা স্বত্ত্বেও ধৰ্ম্ম গুৰুৰ ভাৰ তেৰাৰ শিষ্য মহাপুৰুষ মাধৱ দেৱত অৰ্পণ কৰি যোৱাৰ অৰ্থ বা উদ্দেশ্য কি আছিল ? আমাৰ ক্ষুদ্ৰ বুদ্ধি আৰু মূৰ্খ মগজুৰে ইয়াকেহে ভাবি পাওঁ যে সত্ৰৰ ভূমি সম্পত্তি আদিৰ উত্তৰাধিকাৰী হলেই ধৰ্ম্মাধিকাৰো হব নোৱাৰে।

এই প্ৰসঙ্গতে বৰ্ত্তমান কিছুমান সত্ৰৰ দুৰৱস্থাৰ কথাৰ লগতে আৰু এটি কথা ওলায় । কিছুমান সত্ৰৰ গুৰু সকল বৈষ্ণৱ কিন্তু শিষ্য সকল শাক্ত । এই কথাৰ উৱাদিহ আমি একো নেপাওঁ । ভক্তি প্ৰদীপত আছে যে সুশীল ব্ৰাহ্মণে ইন্দ্ৰক পূজা কৰাৰ বাবেই আৰু তেওঁৰ লগত কথা বতৰা পতাৰ বাবেই ভক্তিমতী চাণ্ডালীয়ে অভকতৰ আলাপত সৰ্ব্বনাশ হলো বুলি গঙ্গাত ১০৮ বাৰ স্নান কৰি বিষ্ণু মন্ত্ৰ জপ কৰে । তেনে স্থলত সেই ঘোৰ শাক্তি উপাসক শিষ্যৰ আদান প্ৰদান বা মন্ত্ৰ দীক্ষা দান কাৰ্য্য বৈষ্ণৱ গুৰুৰ পৰা হয় কেনেকৈ ? আমি দেখাত বেপাৰীৰ কাৰবাৰ যেন হে দেখো। নাম ঘোষাত লিখা আছে—

আপুনি পণ্ডিত নুহি মহন্তক নোপাশিলে কদ চিত।
তথাপিতো গুৰু বোলাৱে কৃষ্ণৰ মায়ায়ে হুয়া মোহিত ॥
আৰু
নজানে শাস্ত্ৰক শিষ্যৰ সংশয় নপাৰে দূৰ কৰিত।
তাৰ উপদেশে আনো নন্তৰয় আপুনো ভৈল বঞ্চিত।
আকো
হৰি হৰি হৰি কিনো ভৈল ইটো কৃষ্ণৰ মায়াৰ বল।
হৰি ভকতিৰ পথত কপট পাতিলেক অমঙ্গল ॥
শঙ্কৰেসে শুদ্ধ মত ঈশ্বৰ ভক্তিৰ তত্ব
প্ৰচাৰিলা শাস্ত্ৰ সাৰ জানি।
ইহাক নজানি নৰে জীবিকাৰ অৰ্থে ফুৰে
আপুনাৰ মহত্ব বখানি ॥
নজানে শাস্ত্ৰৰ নয় যেহি আসে তাকে কয়
চেদিবাক নপাৰে সংশয়।
গুৰু বোলাই তথাপিতো ফুৰিয়া লোকৰ মাজে
মান্য সতকাৰ খুজি লয় ॥

ইত্যাদি কৰি প্ৰত্যেক শাস্ত্ৰতেই আচৰণীয় ধৰ্ম্ম আৰু নীতিৰ লগত বৰ্ত্তমান প্ৰচলিতৰ সামঞ্জস্য বিচাৰিলে পাব; ইয়াত মাথোন সঁকিওৱা হিচাপেহে দিয়া হল।

# দ্বিতীয় অধ্যায়।

## উদাস ধৰ্ম্ম।

বৰ্ত্তমান বহুতো সত্ৰীয়া গোঁসাই আৰু ভকত-লোকে উদাস ধৰ্ম্মৰ নাম লৈ কৰা উদ্ভণ্ডালিত চকু নপৰা লোক বোধ হয় কম! অৱশ্যে সকলো উদাসধৰ্ম্ম অৱলম্বীয়েই নহয়— তাৰ মাজৰে আমাৰ দৃষ্টিত পৰা সকলৰ কথাহে ইয়াত উল্লেখ হব।

সেই উদাসপন্থী সকলৰ লাস-বিলাস ধনধানৰ হেঁপাহ, লোভ আদি দেখি "মেহমনৰ" "উদাস" কবিতালৈ মনত পৰে—
"লোভ মোহ মদ মাৎৰ্য্যাদি কাম ক্ৰোধ ছয় ঋপুৰ ত্যাগী লোকক দেখুৱাই মুখা পিন্ধিলেও স্বভাৱ কলৈ যাব; দুগ্ধত স্নান কৰিলেও জানো কাউৰী বগা হব।" ইত্যাদি সেই "উদাস" (?) সকলে বিষয়ক বাহিৰে লোকক

দেখুৱাই ত্যাগ কৰিছে আৰু ভিতৰি গৃহাশ্ৰমীতকৈও তললৈ নামি আনকি ব্যভিচাৰী হোৱাও দেখা যায়। গৃহাশ্ৰমী হলেও অতি অনায়াসে ভক্তি লাভ কৰিব পাৰে; তাৰ প্ৰমাণ চাওক। —

গৃহতে থাকিয়া সুখে মহা পুন্য সাঞ্চা। —
বোলা হৰি হৰি যাব বৈকুণ্ঠক ইচ্ছা॥ কীৰ্ত্তন ॥
ভাৰ্য্যাপুত্ৰ সবাকো সৈৱক কৰি দিব ॥ ৰত্নাৱলী ॥
হেনজানি সবে চলিয়ো গৃহক পাইবা এসংসাৰ পাৰ।
তাক গৃহবাসে কি কৰিতে পাৰে আমাত ভকতি যাৰ। দশম

ইফালে ভাগৱত বক্তা শুকদেৱৰ বিষয়েও কিংবদতি আছে—'মই উদাসীনৰ আছে কি। চাৰিটি পুত্ৰ এটি জী'।

এই বিষয়ে বাহুল্য হৰিবংশত পাব। অন্যহাতে চন্দ্ৰক্ষেত্ৰৰ মহাদেৱো 'শিৱৰৰ ভক্তৰ মধ্যত' যদিও গৃহাশ্ৰমী। সেইদৰে বাৰ বৈষ্ণৱ ছয় ভকত সকলোৰে গৃহস্থী আছে, সেই সকলে ভগৱন্তৰ ভক্তি কৰিবলৈ আপোন আশ্ৰম ত্যাগ কৰা নাই। কেৱল আজি কালিৰ উদাসৰহে গৃহস্থীৰ ঘৰত পানীটোপা খালেও চুৱা হৈ ধৰ্ম্মপথ বিচ্যুত হয়, অন্যহাতে সেই সকলে মাছ মাংস গাখীৰ ঘিউ আদি ব্যৱহাৰ কৰি ইন্দ্ৰিয় দমন কৰি যে ৰাখিব পাৰে তাৰ প্ৰমাণ চাওক—



"বিশ্বামিত্ৰ পৰাশৰ আদি মুনিগন।
ফল মূল বায়ু মাত্ৰ কৰয় ভোজন॥
কামিনী সবৰ মুখ পদ্ম সুললিত।
তাসম্বাৰ দেখি আতি স্থিৰ নোহে চিত॥
দধি-দুগ্ধ ঘৃত মধু আদি শালি অন্ন।
প্ৰবন্ধিয়া যিটোজনে কৰয় ভোজন॥
সি সবে পাৰয় যদি ইন্দ্ৰিয় দমিতে।
বিন্ধ্যগিৰি পাৰে তবে সাগৰ তৰিতে॥ ২য়স্কন্ধ ভাগৱত

আকৌ চৰিত্ৰত ৺শ্ৰীশ্ৰীমাধৱ দেৱৰ বাক্য কিটাৰে এফাকি চাই লওক—

বোলন্ত মাধৱদেৱে শুনিয়োক সখি।
যি বুজিলো ৰাম চৰণৰ চিত্ত লক্ষি॥
গৃহবাস এৰো বুলিলেক হন্তে যেবে।
লগতো থাকিবে নেদিলোহো হন্তে তেবে॥
যাতো ইটো গৃহবাস এৰো নুবুলিল।
শুদ্ধ চিত্ত জানি অন্ন ৰান্ধিবাক দিল।
গৃহবাসে কিবা ভক্তি বাধিয়া ৰাখয়।
গৃহে থাকি ভকতি কৰিলে শুভ হয়॥
এৰে গৃহ ভাৰ্য্যা নতু হোৱন্তে তৃপিতি।
পাচত ধৰয় সিটো শূকৰৰ বৃত্তি॥

যেন আপোনাৰ বিষ্ঠা শূকৰে এৰয় ।
পৰৰ বিষ্ঠাক যেন ভোজন কৰয় ॥
তোৰা সবে যদি হৰি ভকতি কৰিবা ।
তেবে গৃহবাস আগে কেহো নচাৰিবা ॥
ইন্দ্ৰিয়ক শান্ত কৰি ভকতি কৰিবা ।
তেবে অপ্ৰয়াসে ভক্তি কৰিতে পাৰিবা ॥
আমাৰে দেখিয়া গৃহবাস নাহিকয় ।
ইটো সাস নকৰিবা তোৰা সমস্তয় ॥
কহিলো দৃষ্টান্ত আবে ভূলিঙ্গ পক্ষীৰ ।
গৃহবাসে থাকি কৰা ভকতি হৰিৰ ॥
আৰো এক দৃষ্টান্ত শুনিয়ো সাধু যত ।
অপ্ৰয়াসে যুঁজে থাকি গড় ভিতৰত ॥
গড় বাজ ভৈলে যুদ্ধে প্ৰাণৰ সংশয় ।
এতেকে গৃহক এৰিবাক যোগ্য নয় ॥

—দৈত্যাৰি ঠাকুৰকৃত চৰিত—

উদাসীন পন্থাও প্ৰকৃততে শ্ৰেষ্ঠ পন্থা। কিন্তু সেই ধৰ্ম্ম ধৰোতা সকল কেনেকুৱা হব লাগে তাকো শাস্ত্ৰই নিৰ্দ্দেশ দি গৈছে—

"যেহি মিলে তাহাতে সন্তুষ্ট হৈব মন ।
পিন্ধিব বিচিত্ৰ কৰি বাকলি বসন ॥" নৰসিদ্ধ



তাৰ পৰিবৰ্ত্তে হাতত ৰূপৰ বন্ধোৱা লাখুটি, গাত সৰু সূতাৰ চেলেং, মূৰত ফুলাম জাপি লবলৈ কোৱা নাই। বা উজনি আৰু নামনি অসমৰ প্ৰায় বোৰ ঠাইৰ দৰে দহহাতী ধুতি মূৰত পাহকটা চুলিৰে "উদাস" হৈ বেপাৰ-বনিজ কৰিবলৈকো শাস্ত্ৰই নিৰ্দ্দেশ দিয়া আমি পোৱা নাই। মাধৱদেৱৰ মহাপুৰুষে ঘোষাত লিখা "অধমে কেৱল দোষ" ৰ দৰে আমিও লোকৰ স্বগুণ দেখা নেপাওঁ, বেয়াটোহে চকুত পৰে।

ভক্তি কৰিবলৈ গৈ কিছুমান লোকক দেখা যায়—চাল, বাৰ জাপি, লাখুটি, তামোল, পান, এইবোৰ কি আৰু কোন সেই কথাবোৰৰ মাহিলা মাৰিয়েই ভকতি কৰিব খোজে. অথচ শাস্ত্ৰৰ উক্তি আদিৰ অৰ্থাদিৰ বিষয়ে ভো পণ্ডিত। "হিয়াত হৰাইলা তুমি খোজো বাহিৰত" ৰ দৰে ভগৱন্তৰ নাম মুখত নাহে আৰু বাহিৰা কথাৰ অলপ আলোচনাৰেহে ভক্তি কৰিব খোজে। ঈশ্বৰ চিন্তা আৰু ঈশ্বৰ সেৱাৰ বাহিৰে ভক্তি হব নোৱাৰে। তাৰ সত্যতা এই শ্লোক বোৰেই দিব—

"ওঁ তস্মিন্ অনন্যতা তদবিৰোধিষু উদাসীনতা ॥৯
( দ্বিতীয় অনুৱাক )

"ওঁ নাৰদস্তুতদাৰ্পিতা খিলাচাৰতা তদ্বিস্মৰণে পৰমব্যা-
কুলতেতি" ৯॥ ( তৃতীয় অনুৱাক )

'ওঁ তস্য জ্ঞানয়ের সাধনমিত্যেকে ।২৮' (চতুৰ্থ অনুৱাক)
নাৰদীয় ভক্তিসূত্ৰ ॥

—*—

# ৩য় অধ্যায় ।

## স্ত্ৰী-শৰণ ।

কোনো কোনো সত্ৰত স্ত্ৰীক শৰণ দিয়া নহয় । স্ত্ৰীক শৰণ দিয়াটো মহাপুৰুষীয়াৰ মত নহয় বুলি কোনোৱে কয় ; তাৰ উত্তৰ কীৰ্ত্তনে দিব । যথা—

স্ত্ৰী শূদ্ৰে কৰে যদি আমাত ভকতি ।
তাহাতো কহিবা ইটো জ্ঞান মহামতি ॥

যদি ভক্তি বিচাৰি যায় ( কোনোৱে ) তেতিয়াহে সেই জনক ভক্তি দিব লাগে ; উপযাচি বা ধন-ধান মাটি-সম্পত্তি গৰু-মহ আদি দি লোকক শৰণ দিয়া শাস্ত্ৰৰ যুক্তি নহয় । শিষ্যই ভক্তি ধৰক বা নধৰক-- নিজৰ প্ৰাপ্য ফেৰি আদায় কৰাৰ চলত ভক্তি দিয়াটো ঘোৰ অন্যায় হয়নে নহয় জ্ঞানীলোকে বুজিব ।

আৰু এটি কথা—কোনো ঠাইত শৰণীয়া লোক বিলাকক উদাসীন ভকতসকলে 'ভকত' পাতি স্বামী-স্ত্ৰী দুয়োকে শিক্ষা-দীক্ষা ( কি দিয়ে ) দি শুদ্ধ কৰিলেহে বোলে জীৱৰ হেনো মুক্তি হয়—এনেবোৰ কথাৰ মূলতো আমি দেখা পাওঁ—গুৰুৰ চাউল মুকলি কৰা বাট আৰু শিষ্যৰ সমাজত চলি ফুৰাৰ বাট। এই প্ৰসঙ্গতে আৰু কেতবোৰ লোকৰ কিছুমান নীচপ্ৰবৃত্তি আদিলৈ মনত পৰে—কোনো গুৰুৰ এজন শিষ্যৰ পুত্ৰই সেই গুৰু পুত্ৰৰ অভাৱত একে বংশৰে অন্য এজন গুৰুত শৰণ ললে, পুনৰপি উক্ত গুৰুপুত্ৰই শিষ্য পুত্ৰক দোৱা শৰণেই নে পুনৰ শৰণ দিয়াৰ যুক্তি কি তাক বিচাৰ কৰিবকৈ সমাজ সুপ্ত। নহবই বা কিয়—তেনে উদণ্ডালিত হয়ভৰ নিদিলেও বিপদ—তাত তৰ্ক বা যুক্তি বিচাৰিলেও তেওঁৰ দণ্ড। এনে অত্যাচাৰী গুৰুৰ উপদেশ ধৰি শিষ্যৰ বিলাই বা কি হব পাৰে তাক জ্ঞানীলোকে বুজিব।

—*—

## ৪ৰ্থ অধ্যায়।

### মহাপুৰুষীয়া ধৰ্ম্ম আৰু বিধিসমূহ।

এই অধ্যায়ত বৰ্ত্তমান মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্ম্মৰ মাজত চলা বিধি ব্যৱহাৰৰ কথা উনুকিয়াবলৈ প্ৰয়াস কৰিলো। বৰ্ত্তমান আমাৰ মাজত চলা বিধি খনে (বামুণীয়া) মহাপুৰুষৰ সু-পবিত্ৰ ধৰ্ম্মৰ মূৰত বাগি কুঠাৰ মৰাৰ দৰে কৰিছে। কাৰণ যি জন মহাপুৰুষে তেৰাৰ বাণী অমূল্য গ্ৰন্থৰাজিত অন্য দেৱতাৰ পূজা উপাসনা সম্পূৰ্ণ নিষেধ বুলি লিখিছে, সেই গুৰু পুৰুষৰ ধৰ্ম্মৰ মাজত সোমাই বামুণীয়া বিধিয়ে তাণ্ডৱ লীলা কৰিব লাগিছে। এক বিষ্ণু পূজাৰ নামত সহস্ৰ অপদেৱতা আৰু ভূত পূজা আমাৰ সমাজৰ বৰ্ত্তমান বিধি ( বৈদিক ) কাৰ্য্যৰ আগ শাৰীত। যদি প্ৰকৃততে সেই দৰেই - সেই

পন্থাৰেই জীৱ তৰিব পাৰে তেন্তে শৰণ-ভজনৰ আৱশ্যাক নাই— কাৰণ বামুণীয়া বিধিৰ লগত মহাপুৰুষৰ ধৰ্ম্মৰ অহিনকুল সম্বন্ধ। তেতিয়া হলে যেই কোনো এটা পাৰ লোৱাই শ্ৰেয়। দুখন নাৱত দুই ভৰি দিয়াৰ আৱশ্যক নাই। নৱসিদ্ধত আছে— একে বাসুদে তেনে কৰিব ভকতি।

নকৰিব অন্য একো দেৱতাত ৰতি

আৰু কেইটিমান উদাহৰণঃ—

তাৱত কৃষ্ণৰ ভক্ত নৰে, ভক্তি অবিৰোধী কৰ্ম্ম কৰে,
কৃষ্ণৰ কথাত ৰতি যাৰে নোপজয়।
যেবে ভৈল কৃষ্ণ কথাৰত, নিত্য নৈমিত্তিক আদি যত,
কথাৰ বিৰোধী বুলিয়া সবে তেজয়॥ নামঘোষা
অবিৰক্ত ভকতৰ, বেদ লঙ্ঘিবাৰ দোষ,
জানিবাহা ইহাক নিশ্চয়।
পৰম বিৰক্ত যিটো, কৃষ্ণত ভকত ভৈল,
তাৰ একো নাহিকে নিৰ্ণয়॥ নামঘোষা
যেন পিতৃ পুত্ৰক লাৰুৰ লোভ দেই।
তাঙ্ক পাইবো বুলি শিশু ঔষধ পিয়য়॥
পাৱৈ খণ্ড লাৰুক গৰ্ভবো ৰোগ হৰে।
সেহিমতে অজ্ঞানী বেদৰ শিক্ষা ধৰে॥



পাচে বেদে বোলে এৰা ইসব কামনা।
নিষ্কামে কৰিয়ো একে কৃষ্ণতে ভাৱনা। নৱসিদ্ধ

ইয়াতে কোনোৱে বেদৰ (?—বিধি) ব্যৱহাৰ আদি এৰিবলৈ কোৱা বুলি ভাবিব পাৰে; কিন্তু আমি বেদৰ নীতি এৰিবলৈ কোৱা নাই। বেদৰ ব্যৱহাৰ এৰিব নেলাগে। বেদৰ তত্ব কি তাক উদ্ধৃত কৰি দিয়া হল—

বেদে যেন কহে তাক শুনা প্ৰাণ সখি।
মায়াময় অন্য দেৱ সবাকো উপেক্ষি॥
কেৱলে মোতেসে মাত্ৰ কৰিব শৰণ।
হৈব কৰ্ম্মমল ত্যজি তেবেসে প্ৰসন্ন॥
মই বিনে বেদে কিছু অন্য নবখানে।
চাৰিও বেদৰ তত্ব অৰ্থ এহিমানে॥
বেদক নজনি কৰে আনক ব্যাখ্যান।
নিজ অৰ্থ ভকতিক তজি বুজে আন॥
কেহো বোলে বেদে কহে যজ্ঞব্ৰত দান।
কেহো বোলে ক্ষুদ্ৰদেৱ পূজা তীৰ্থ স্নান॥
কেহো বোলে বেদে কহে জ্ঞানতেসে গতি।
গুণৰ ইচ্ছাই বুজে যাৰ যেন মতি॥

কতো মন্দমতি শাস্ত্র নকৰে বিচাৰ।
কৰে ধৰ্ম্ম কৰ্ম্ম পূৰ্ব্ব পুৰুষ আচাৰ ॥
লৱে কতো তাক এৰি পাষণ্ডৰ মতি।
যাই নৰ অধক ধৰ্ম্মৰো অধোগতি ॥ একাদশ স্কন্ধ ভাগৱত আকৌ—ব্ৰহ্মাদেৱে পূৰ্ব্বত আনিয়া বেদ চাৰি।
তিনিবাৰ ওলোটায়া চাহিলা বিচাৰি ॥
এহিমানে বিধাতা বেদত পাইলা সাৰ।
হৰি কীৰ্ত্তনেসে তবে সকলে সংসাৰ ॥ দশম ॥ কীৰ্ত্তনতো আছে—

ব্ৰহ্মাদেৱে চাৰি বেদক আনি।
বিচাৰিলা তিনি বাৰ প্ৰমানি ॥
এহিমানে পাইলা বেদত সাৰ।
হৰি কীৰ্ত্তনেসে তবে সংসাৰ ॥

এইদৰেই—বেদৰ সাৰ বস্তু হৰি কীৰ্ত্তনেইহে। সেই হৰি নাম কীৰ্ত্তনো কিমান দুস্প্ৰাপ্য তাৰো প্ৰমাণ। যথা—

নিৰ্ম্মিলা হৰি নাম ঠাৱে ঠাৱে।
বৈষ্ণৱ সবেসে বিচাৰি পাৱে ॥ কীৰ্ত্তন ॥
যৈতে তৈতে নথাকয় হৰিনাম ৰত্ন।
মহন্ত দোকানী ৰাখে কৰি মহা যত্ন ॥ বৰগীত



এনে বৈষ্ণৱ শাস্ত্ৰৰ বচন নিৰ্দ্দেশ থকাতো অন্য দেৱদেবী পূজা কৰিলে তাৰ কি দোষ হয় চাওক—

বোলন্ত কেশৱে শুনা উত্তৰ ইহাৰ।
হোৱে নৰ যদ্যপি পৰম দুৰাচাৰ ॥
মোকে মাত্ৰ ভজন্ত নুপূজি দেৱ আন।
সেহিসে পৰম সাধু জানা মোৰ প্ৰাণ ॥
অন্য দেৱ সম কৰি মোহোক পূজয়।
কোটি কল্পমানে সিটো নৰকে পৰয় ॥
হেনজানি আনদেৱ পূজা পৰিহৰা।
একচিত্ত মনে মাত্ৰ মোকে পূজা কৰা ॥
অনাচাৰ কৰি অপবিত্ৰ সিটো নুহি।
অন্য দেৱ পূজে যিটো সেহি মোৰ দ্ৰোহী ॥
যিটো মহা ম্লেচ্ছে খাই কুকুৰকো মাৰি।
তাতো কৰি অপবিত্ৰ সিটো অহঙ্কাৰী ॥
দেখি বুৰ দিবে লাগে নাহি আত চিদ্ৰ।
চণ্ডালৰো অশুচ্য সেহিসে অপবিত্ৰ ॥ ভক্তি প্ৰদীপ

আন দেবী-দেৱ নকৰিবা সেৱ
মূৰ্ত্তিকো নচাইবা তাৰ।
গৃহো নপশিবা প্ৰসাদো নখাইবা
ভক্তি হৈব ব্যভিচাৰ ॥

এক কৃষ্ণ দেৱ কৰিয়োক সেৱ
ধৰিয়ো তাহান নাম ।
কৃষ্ণ দাস হুয়া প্ৰসাদ ভুঞ্জিয়া
হস্তে কৰা তান কাম ॥ ভক্তি প্ৰদীপ
অৰ্জ্জুনত গীতাত কহিলা হৰি সাঞ্চ ।
অন্য দেৱ পূজি সবে হৈবেক পিশাঞ্চ ॥
প্ৰেতৰ লগত ফুৰিবেক বলি খাই ।
আউৰ একো জনমে তাহাৰ গতি নাই ।

একাদশ ভাগৱত ।

ঈশ্বৰ কৃষ্ণক যিটো অন্য দেৱতাৰ সম
বোলে আতি পৰম দুৰ্জ্জন ।
চৌৰাশী নৰক ভুঞ্জি পাপৰ যোনিত সিটো
অৱশ্যে হুইবেক উতপন ॥ নাম ঘোষা ॥

এইদৰে শাস্ত্ৰৰ বহুতো উক্তি আছে- পুথিৰ আকাৰ বৃদ্ধি হোৱাৰ আশঙ্কাত সকলোবোৰ দিয়া নহল—সুস্থ সাধু সকলে সেইবোৰ অনুসন্ধান কৰি লব পাৰিব ।

বেদ শ্ৰুতি নমনা লোকক যে পাষণ্ড বোলা হয়, তাক ওপৰত উল্লেখ কৰা আছে, কিন্তু আকৌ মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱে ঘোষাত কি লিখিছে পঢ়ি চাব—



কৃষ্ণপদ মাত্ৰ সেৱা কৰে সমস্ত কামনা পৰিহৰে
বেদ ব্যৱহাৰ কদাচিতো নলঙ্ঘয় ।
কৃষ্ণপদে সেৱা সুখ মনে কৰৈ কৰ্ম্ম জানা সৰ্ব্বক্ষণে
ইহাঙ্ক মহন্ত বুলি জানা নিশ্চয় ॥

আকৌ অন্য প্ৰকাৰে চাওক—"অবিৰক্ত ভকতৰ" আদি ওপৰত উল্লেখ কৰাই আছে । পুনশ্চ—

মাধৱে বোলন্ত স্মৃতিশ্ৰুতি মোৰ আজ্ঞা বাণী জানা নিষ্ঠি
যিটোজনে আক উলঙ্ঘিয়া প্ৰবৰ্ত্তয় ।
সিয়ো ভৈল মোৰ আজ্ঞাচেদি মোক দ্বেষ কৰিলেক আতি
মোৰ ভক্ত হোন্তো বৈষ্ণৱ সিটো নোহয় ॥ নামঘোষা।

নাম মালিকাৰ মতে আকৌ—

অতি পাতকীকো নাম নলাগয়
নিয়মে সংযমে তাৰে ।
শৃগাল খেদিতে সিংহ নলাগয়
কুকুৰে খেদিতে পাৰে ॥

যদিও বিভিন্ন গ্ৰন্থৰ বিভিন্ন মত, তথাপিতো আমাৰ মহাপুৰুষীয়া সকলৰ বাবে পন্থ অতি সুগম হৈ আছে— তাৰ মাজতে মাথোন পূৰ্ব্বৰ অৰ্থাৎ গুৰুজনাৰ পিচৰ কালৰ পৰা এটি অত্যাচাৰী দলে সেই পবিত্ৰ ধৰ্ম্মৰ মতত ব্যভিচাৰী মত সুমুৱাই

বেমেজালিৰ সৃষ্টি কৰিলে—আৰু বৰ্ত্তমান তাক সংস্কাৰ কৰি পূৰ্ব্বৰ পবিত্ৰ অৱস্থালৈ আনিবলৈ কাৰো চেষ্টা দেখা নাযায়। সেই গতিকেই গুৰুজনাৰ ধৰ্ম্মলৈ আওহেলা কৰা লোকৰ সংখ্যা বাঢ়িব লাগিছে। আমাৰ পূৰ্ব্বৰ "যুগধৰ্ম্ম" নামৰ পুথিৰ "গুৰুৰ আৱশ্যকতা" নামৰ ভাগত এই বিষয়ে চমুকৈ লিখা হৈছিল আৰু পুথি খনিৰ নিবেদনতো সাধুসকলৰ দৃষ্টি আকৰ্ষণ কৰা হৈছিল। এতিয়া সামৰণিত ইয়াকে কওঁ বত্মাৱলীত লিখা আছে যে মন্বাদি বাৱস্থাকাৰ শাস্ত্ৰজ্ঞ সকলৰ মাজৰে কিছুমানে জানিও সংসাৰৰ সকলো লোক মুক্ত নহওক বুলিয়েইনে কি স্থানভেদে জড় আৰু চৈতন্যৰ মাজতে ৰাখি ব্যৱস্থাদি দি থৈ গল—তেওঁ লোকৰ গ্ৰন্থবোৰত। সেইবোৰ যেই নহওক— এই ক্ষুদ্ৰ পুস্তিকাত উল্লেখ কৰা বিষয় কেইটিৰ কথা আমাৰ সুধী সমাজে অলপ চিন্তা কৰি চাব বুলি আশা কৰিলো। দ্বিৰুক্তি হলেও আমি অধম গতিকে অপৰৰ দোষ দেখা কথা আদিৰ স্বীকৃতি নিজেই লৈছো— কিন্তু গুৰুজনাৰ পৱিত্ৰ ধৰ্ম্মৰ এই দুৰাৱস্থাৰ কাৰণে যত্নপৰ হবলৈ সন্তসম্মিলনী, শঙ্কৰসঙ্ঘ আৰু অসম সত্ৰসঙ্ঘ আদিলৈ সানুনয়ে অনুৰোধ জনাই পুস্তিকাৰ সামৰণি মৰা হল।

—*—

# জীৱনৰ বাটত

## ধৰ্ম্ম আৰু ভক্তি।

শ্ৰীমহেশ চন্দ্ৰ দেৱ গোস্বামী।

### ধৰ্ম্ম।

সমগ্ৰ মানৱ জীৱন ব্যাপক বিষয় ধৰ্ম্ম। ব্যক্তি, সমাজ, জাতি আৰু মানৱ-সমাজৰ আদৰ্শৰ ঐক্য ধৰ্ম্মতে। জীৱনৰ এনে সমস্যা নাই, য'ত ধৰ্ম্মৰ আদৰ্শৰ অভাৱ কল্পনা কৰিব পাৰি। মানৱ জীৱনৰ আদৰ্শ লাভৰ ঘাই ভেটি ধৰ্ম্ম আৰু শেষ লক্ষ্যও তাৰ মাজৰে।

ধৰ্ম্ম মানে কোনো গাইগুটীয়া সাম্প্ৰদায়িক ধৰ্ম্ম নহয়। যি ধৰে বা দৃঢ় কৰে সেয়ে ধৰ্ম্ম; অৰ্থাৎ যিহে আমাৰ সমগ্ৰ জীৱন একীভূত কৰি ঐক্যকেন্দ্ৰিক গতিত চলাব পাৰে। গতিকে ই আমাৰ জীৱনৰ সকলো অৱস্থা আৰু সমস্যাৰ লগত অঙ্গাঙ্গি ভাৱে

জড়িত। বিভিন্ন সমস্যাবোৰ যদি স্বতন্ত্ৰভাৱে নিয়ন্ত্ৰিত হ'ল হেঁতেন, তেন্তে আমাৰ জীৱন জটিলতা শূন্য হোৱা স্বাভাবিক আছিল। জীৱনৰ বিভিন্ন স্তৰবোৰ আৰু সমস্যাবোৰৰ মাজত যোগসূত্ৰ আছে বুলিয়েই স্তৰ আৰু ক্ষেত্ৰৰ বিভিন্নতা স্বত্ত্বেও সমস্যাবোৰৰ সমাধান এককেন্দ্ৰীয়। কিন্তু যেতিয়া ধৰ্ম্মৰ আদৰ্শ কুঁৱলীয়ে ঢকা দূৰণিৰ পৰ্ব্বত যেন হৈ থাকে, তেতিয়া সমস্যাবোৰ জটিলতৰ হৈ উঠে, আৰু সমাধানৰ বাবে আমি খপজপাব লগীয়া হয়

সত্যই ধৰ্ম্ম। বিশ্বস্ৰষ্টাৰ এই প্ৰকৃতি কাননত মানৱক জ্ঞান সম্পন্ন কৰি জন্মাইছে সত্যৰ সন্ধানৰ বাবে। পাঁচহেজাৰ বছৰ আগৰ ঋষি মুনি সকল যি সত্যৰ সন্ধানত ৰত আছিল আজিৰ যন্ত্ৰ যুগৰ বৈজ্ঞানিকেও সেই সত্যৰে সন্ধান কৰিছে; অৱশ্যে পথ ভিন ভিন। বস্তুবাদীদলে বস্তু বা পদাৰ্থকে চৰম সত্য বুলি আহিছে আৰু তাৰ পূৰ্ণ জ্ঞানৰ বাবে যত্ন কৰিছে। বৈজ্ঞানিক আইনষ্টাইন্, এডিংটন আদিয়ে বস্তুবাদৰ বাটৰে অন্তত পাইছেগৈ এটি বিৰাট শক্তি যি সমগ্ৰ বিশ্ব চৰাচৰকে নিয়ন্ত্ৰণ কৰিব লাগিছে। সেই শক্তিৰ কাৰ্য্য-কলাপ বিজ্ঞানৰ সূক্ষ্ম



চকুৰেও প্ৰত্যক্ষ নেদেখে, অথচ তাৰ স্থিতি নুই কৰিবৰো অপাৰগ। এজন দাৰ্শনিক মতে— বৈজ্ঞানিকে তেওঁৰ শিৰে শিৰে এই মহান্ শক্তিৰ কাৰ্য্য অনুভৱ কৰে, কিন্তু এহাতে ইয়াক দেখুৱাব নোৱাৰে, আনহাতে বৈজ্ঞানিক অভিধান শাস্ত্ৰৰ সহায়তো সংজ্ঞাবদ্ধ কৰিব নোৱাৰে।

এই মহান্ শক্তিকে ভিন সম্প্ৰদায়ে নিজৰ ভাষাগত নামে অভিহিত কৰি লৈছে। বেদ উপনিষদ আদিত ই ব্ৰহ্ম, কোৰাণত আল্লা, বাইবেলত পবিত্ৰ আত্মা ( Holy Ghost ), জেন্দ আবেস্তাত আহুৰ মস্দা— ইত্যাদি। স্বৰূপতে সকলো এক। পৃথিবীত যি সকল আধ্যাত্মিক দৃষ্টি সম্পন্ন মহাপুৰুষ উপজি দুস্কৃতৰ বিনাশ কৰি ধৰ্ম্ম সংস্থাপন কৰি গৈছে— তেওঁলোকৰ সৰল আধ্যাত্মিক অনুভূতিত একে সত্যই ধৰা পৰিছিল। তেওঁলোকৰ মাজত খৰিয়াল নাই। জ্ঞান জুৰি নৈ সকলো বেলেগ বেলেগ ঠাইৰ পৰা ওলাই একে সাগৰতে পৰে। বিভিন্ন পথেৰেও একে সত্যতে উপনীত হোৱা যায়। যি ধৰ্ম্ম লৈ খৰিয়াল কৰে তেওঁ আচলতে নিজৰ ধৰ্ম্মক কলঙ্কিত কৰে; কাৰণ তেওঁ নিজৰ ধৰ্ম্মৰ আদৰ্শৰ স্বৰূপ উপলব্ধি কৰিব নোৱাৰে।

সকলো ধৰ্ম্মৰে কেন্দ্ৰ এই মহান্‌শক্তি স্বৰূপতে কোনো অৱয়ৱ বিশিষ্ট নহয়। এই শক্তি ৰূপ-গুণৰ অতীত। কিন্তু দুৰ্ব্বল ধাৰণাৰে উপলব্ধি কৰিবৰ সুবিধাৰ বাবে মানুহে তাত ব্যক্তিত্ব আৰোপ কৰি ঈশ্বৰ, মহেশ্বৰ আদি নাম দিছে। নামত একো নাই নাম ধাৰণাৰ এটা সুবিধাহে। কিন্তু এই নামতে ক্ৰমাৎ গুণ সন্নিবিষ্ট কৰি মানুহেই নিজৰ অভি-ৰুচি মতে ইয়াক শ্ৰেষ্ঠৰো শ্ৰেষ্ঠ জীৱ বা দেৱতা বুলি কল্পনা কৰি লৈছে। সেই দেখিহে ঈশ্বৰ পূজাৰ বিষয় হৈ পৰিছে; নহলে ঈশ্বৰ বা পৰমাত্মা পূজা পাতলৰ অতীত।

বিশ্বাসেই ধৰ্ম্মৰ মূল। কুসংস্কাৰ জনিত অন্ধবিশ্বাস প্ৰকৃত ধৰ্ম্ম বিশ্বাস নহয়। বিশ্বাস আধ্যাত্মিক—দৃষ্টিসম্ভূত। বাহ্যিক বস্তুৰ অনুভূতি ইন্দ্ৰিয় গ্ৰাহ্য; কিন্তু ধৰ্ম্মৰ তত্ব ইন্দ্ৰিয়াতীত, যুক্তি তৰ্কৰ অতীত। সেই বুলি এই বিশ্বাস আৰু যুক্তি তৰ্কৰ সমন্ধ অহিনকুল নহয়। যুক্তি তৰ্কৰ চূড়ান্ত বা চৰম সীমাই এই বিশ্বাসৰ থলি। যুক্তিৰে ইয়াক প্ৰত্যক্ষ কৰিব নোৱাৰি, কিন্তু যুক্তিৰ পথতেহে তাৰ উপলব্ধি।

চিন্তাই বিশ্বাসৰ বাট সুগম কৰে, আৰু উপলব্ধি



তেতিয়াই সহজ হয়। চিন্তাৰ ধাৰাত ভুল অস্বাভাবিক নহয়; সেই কাৰণে সূক্ষ্ম সত্যও ভিন চকুত বিকৃত ৰূপত দেখাটো স্বাভাৱিক। সেই ভুলৰ নিবৃত্তিও আকৌ চিন্তাৰেইহে সম্ভৱ।

সাম্প্ৰদায়িক ধৰ্ম্মৰ কিছুমান আচাৰ পালনেই প্ৰকৃত ধৰ্ম্ম ৰক্ষা নহয়। অৱশ্যে এই আচাৰবোৰ একে বাৰে অলাগতিয়ালো নহয়। সমগ্ৰ মানৱ জাতিৰ সৰ্ব্বাঙ্গীন শুভ কামনা, আৰু তাৰ মাজেৰে বিশ্বনিয়ন্তা বা বিশ্ব-কাৰণ-শক্তিৰ উপলব্ধিয়েই ধৰ্ম্মৰ চৰম লক্ষ্য। ব্যক্তি, জাতি, দেশ আদিৰ মাজত ভেদ জ্ঞান ৰাখি ধৰ্ম্মৰ চৰম লক্ষ্যত উপণীত হোৱা অসম্ভৱ। বিশ্ব চৰাচৰ কীট পতঙ্গ জীৱ জন্তু সকলো সেই এক ব্ৰহ্ম বা বিশ্ব-কাৰণ-শক্তিৰ ভিন ভিন ৰূপ। ব্ৰহ্ম বিশ্বানুগ (Immanent) হৈও বিশ্বাতিগ (Transcendent) সেই পূৰ্ণ ব্ৰহ্মৰ উপলব্ধিয়েই প্ৰকৃত ধৰ্ম্ম।

আমি শিশুৰ পৰা তিনি মূৰীয়া বুঢ়ালৈ অৱস্থান্তৰ প্ৰাপ্ত হলেও নিজক মই বুলি পৰিচয় দিয়াৰ গুৰিতে আছে আমাৰ এক আত্মা। সকলো আত্মাৰ ঘাই শিপা পৰমাত্মা বা পূৰ্ণ ব্ৰহ্ম। সেই বাবে উপনিষদে

আত্মাকেই শ্ৰেষ্ঠ বুলিছে। কাৰণ আত্মোপলব্ধিয়েই পৰমাত্মাৰো উপলব্ধি। ছান্দোগ্য উপনিষদত "সেই অণিমাতুল্য ( বস্তু ) য'ত সকলোৰে সত্ত্বা আছে, ইয়েই সত্য, ইয়েই আত্মা আৰু শ্বেতকেতো, সেয়েই তুমি," বুলি পিতৃয়ে শ্বেতকেতুক জ্ঞান দিছে। আত্মা অবিনশ্বৰ। আমাৰ গাত ফটা কাপোৰ যেনে, আত্মালৈ এই নশ্বৰ দেহো তেনে। দেহ আত্মাৰ দুদিনীয়া জিৰণিৰ থল মাথোন।

আত্ম জ্ঞানেই শ্ৰেষ্ঠ জ্ঞান, আৰু ইয়েই পৰমাত্মা বা পৰম ব্ৰহ্ম জ্ঞান। আত্ম জ্ঞান বুদ্ধি-লভ্য নহয়, বোধি বা সাধনা লভ্য। হিন্দু শাস্ত্ৰই সেই তত্ত্ব জ্ঞানৰ বাবে শ্ৰৱণ, মনন আৰু নিদিধ্যাসন অনুমোদন কৰিছে। প্ৰথমে উপযুক্ত গুৰুৰ ওচৰত শাস্ত্ৰ শুনি জ্ঞান আহৰণ কৰিব লাগে। কাৰণ "আচাৰ্য্যৱান পুৰুষো বেদ" – গুৰু থাকিলেহে জানে। সৎ বা সাধু ব্যক্তিৰ সান্নিধ্যই আদৰ্শৰ স্বৰূপ ডাঙি ধৰিব পাৰে। তাৰ উপৰি ব্ৰহ্ম বিদ্যা বা পৰমবিদ্যাত যোগ্য জনৰ বাহিৰে আনৰ অধিকাৰ নাই। সাধু গুৰুৱে ব্যক্তি-গত সাহচৰ্য্যৰ দ্বাৰা শিষ্যৰ যোগ্যতা নিৰ্দ্ধাৰণ কৰিব পাৰে। শিষ্যৰো এই জ্ঞানৰ প্ৰতি তৃষ্ণা হব লাগিব,



পানীৰ তলত ডুব মাৰোতে কোনোবাই হেঁচা মাৰি ধৰি থাকিলে উশাহ বা বায়ুৰ প্ৰতি যেনে আকাঙ্খা হয়, তেনেকুৱা।

শ্ৰৱণেই যথেষ্ট নহয়; তাক পূৰ্ণ কৰিব পাৰি মননেৰে। ই হৈছে চিন্তাৰ দ্বাৰা ক্ৰমাগত লব্ধজ্ঞানক উপলব্ধি কৰা আৰু তাত দৃঢ় বিশ্বাস গঢ়ি তোলা। ইয়াৰ পিছতে নিদিধ্যাসন বা ধ্যান। নিজৰ ভিতৰতে বিশ্বৰ বহুলতাৰ মাজৰ ঐক্যৰ সমীক্ষণেই ধ্যান। এই সমীক্ষণ যুক্তি বিশ্বাসৰ জ্ঞানৰ দ্বাৰাই সম্ভৱ নহয়। ঐক্য নিজৰ গোচৰীভূত হব লাগিব – "আত্মা বা অৰে দ্ৰষ্টব্যঃ।" গতিকে ধ্যানৰ একান্ত আৱশ্যক।

ধ্যানৰ অন্তৰ্দৃষ্টিয়েই আমাৰ আত্মাৰ সম্পূৰ্ণ জ্ঞান দিব পাৰে। এই জ্ঞান লাভতেই পৰমাত্মাৰ জ্ঞান লাভ হয়। পূৰ্ণ আত্মজ্ঞান লাভ হলেই, তেনে জনে প্ৰকৃতিৰ সকলো জীৱতে, সকলো দিশতে, মুঠতে সকলোতে অনন্ত আত্মাকে দেখে আৰু তেতিয়া সোঽহং বা "তেৱেঁই মই" এই জ্ঞান উপলব্ধি হয়। আত্মা আৰু পৰমাত্মাৰ দ্বিত্ব বোধ তেতিয়া উৰলি যায়। ছান্দোগ্য উপনিষদৰ মতে "আত্মাই এই সকলো। যি ইয়াক ( এনেকৈ ) দেখে, ধাৰণা কৰে বুজে, আত্মাক

ভাল পায়, আত্মাতে খেলা কৰে আত্ম:ত সংসৰ্গ লভে আৰু আত্মাতেই আনন্দ লভে, তেওঁ স্বৰাট হয়, তেওঁ সকলো জগতৰে গৰাকী হয়। প্ৰাণ, আশা, আকাশ, অগ্নি, জল, আবিৰ্ভাৱ, তিৰোভাৱ, অন্নশক্তি বিজ্ঞান, ধ্যান চিত্ত, সঙ্কল্প, মন, বাক্য, নাম, মন্ত্ৰ, কৰ্ম্ম ( যজ্ঞাদি ) সকলো আত্মাৰ পৰাই ওলোৱা বুলি সূক্ষ্ম দৰ্শীয়ে জানে। আৰু যি জ্ঞান পায়, তেওঁ জড়া মৃত্যু ব্যাধিৰ অতীত হৈ সকলো দেখিব আৰু বুজিব পৰা হয়, আৰু সকলোতে সকলো পায়। শেষত মানসিক আহাৰ শুদ্ধি হলে সত্ত্বা শুদ্ধি হয় আৰু তেতিয়া স্মৃতি শুদ্ধ হলেই অনাত্মাৰ লগত আত্মাক জড়িত কৰা সকলো গ্ৰন্থি ছিগি যায়। এয়েই ব্ৰহ্মপ্ৰাপ্তি।

ঋগ্বেদত কৈছে—"যি বেদ প্ৰতিপাদিত অবিনাশী, সৰ্ব্বোৎকৃষ্ট সৰ্ব্বব্যাপক ব্ৰহ্মত পৃথিবী সূৰ্য্যাদি লোক লোকান্তৰ আধেয় ৰূপে স্থিত হৈ আছে, সেই পৰম ব্ৰহ্মক জানোতাক বেদে কি শিকাব ?" যি সেই পৰম ব্ৰহ্মক জানে, তেৱেঁই ব্ৰহ্মত সম্যক স্থিতি লাভ কৰে। সেই ব্ৰহ্মক জানোতাৰ আগত সকলো এক ব্ৰহ্মৰ ৰূপ বুলি ধৰা পৰে।

"একম্ সৎ বিপ্ৰা বহুধা বদন্তি।"

# ভক্তি।

বেদ উপনিষদৰ এই শিক্ষা অতি কম সংখ্যক মানুহৰ বাবেহে সম্ভৱপৰ, ইয়াক সাৰ্বজনীন কৰিব পৰা হলে পৃথিবী স্বৰ্গ ৰাজ্য হ'ল হেতেন। আমাৰ মানুহৰ যোগ্যতা অনুযায়ী ইয়াৰ ভাগ দিবলৈ দুজন মহাপুৰুষে ভক্তি পন্থা নিৰ্দ্দেশ কৰি গছে। ভক্তিৰ বাটেৰে গৈও এই চৰম সীমাত উপস্থিত হবগৈ পাৰি।

ব্ৰহ্মৰে আন এটা ফাল সগুণ ঈশ্বৰ। ঈশ্বৰৰ স্বৰূপ কল্পনাত এই ব্ৰহ্মৰে গুণাৱলী আৰোপিত হৈছে। অনন্ত, অনাদি, অচিন্ত্য, সৰ্ব্বশক্তি মান, সচ্চিদানন্দ বিশেষণেৰে কৃষ্ণ বা হৰিত পূৰ্ণ ব্ৰহ্মৰ ৰূপ কল্পনা মাথোন কৰা হৈছে। আমাৰ দুৰ্ব্বল ধাৰণাক বাবেই ই আৱশ্যক।

ভক্তি ঈশ্বৰৰ প্ৰতি অগাধ প্ৰেম। ইয়াৰ সংজ্ঞা দিব নোৱাৰি। প্ৰহ্লাদৰ মতে— "ইন্দ্ৰিয় জনিত সুখৰ প্ৰতি অজ্ঞৰ যি মৃত্যুহীন প্ৰেম, তোমাৰ প্ৰাৰ্থনাত যেন, হে প্ৰভো! মোৰো অন্তৰৰ পৰা

তেনে প্রেম আঁতৰি নাযায়।” (“যা প্রীতিৰ-বিবেকানাং বিষয়েম্বণপায়িনী। ত্বামনুস্মৰতঃ সামে হৃদয়ান্মাপসর্পতু।”) এই প্রেম কাৰ প্রতি? ই হল সেই সর্ব্বনিয়ন্তা ঈশ্বৰৰ প্রতি। নাৰদৰ মতেও ভক্তি ঈশ্বৰৰ প্রতি গভীৰ প্রেম। এই প্রেম পার্থিৱ সুখ সম্পদৰ বাবে নহয়।

ভক্তিৰ ফল ভক্তি, ইয়াৰ গতি আৰু লক্ষ্য একে। ঘোষাৰ কথাত—

“তোমাৰ চৰণে মাগো অমূল্য ভকতি।”
“ভকতি আনন্দ ৰস মাগো এক বিন্দু॥”

এই “হৰিনাম প্রেমৰস” বা “ৰসময়ী ভকতি” যেতিয়া কোনো জনে লাভ কৰে, তেওঁ সকলো সম্ভোগ আশা ত্যাগ কৰে—“অন্যত্র ৰসত ৰতিনাই” হৈ পৰে।

ঈশ্বৰৰ বাহিৰে অন্যৰ প্রতি প্রেম “ভক্তি” নহয়। কাৰণ পৃথিবীৰ সকলো জন্ম-মৃত্যু পৰিবর্ত্তন আদিৰ দাস; সেই বাবে ৰামানুজে কৈছে— “যতস্ততো ন তে ধ্যানে ধ্যানিনমুপকাৰকাঃ”— এই বোৰে ধ্যানত সহায় কৰিব নোৱাৰে; ঈশ্বৰৰ প্রতি এই ভক্তিৰ পথতো কিছুমান স্তৰ আছে; এই স্তৰ বোৰ



অতিক্রম কৰি গৈ থাকিহে “পৰাভক্তি” পাবগৈ পাৰি। সাধাৰণ পূজা পাতলাদিতে আৰম্ভ হৈ ই গৈ থাকে— ঈশ্বৰৰ ওচৰত সম্পূর্ণ নিজক এৰিদিয়া আনন্দময় ভক্তি ৰসলৈ।

ভক্তিত হিংসা-দ্বেষ, ঘৃণা আদি নাই। ই সহজ সৰল আৰু স্বাভাৱিক। কিন্তু নিম্নস্তৰত যে ই বিদ্বেষ প্রচাৰ নকৰিব পাৰে, এনেও নহয়। আমি বেছি ভাগেই ভক্তিৰ এই নিম্নস্তৰত থকা বাবে বিদ্বেষৰ সীমা পাৰ হব পৰা নাই।

প্রকৃত ভক্তিয়ে সকলোকে ত্যাগ কৰিও সকলোকে আপোন কৰি লয়। ভক্তিৰ ওচৰত পার্থিৱ সকলো আপোন হয় অথচ দূৰত থাকে। অর্থাৎ পানীৰ মাজতে থাকে, অথচ গাত পানী নালাগে। বেলিৰ পোহৰৰ আগত চাকিৰ পোহৰ হ্রাস হৈ যোৱাদি এই প্রেম-ভক্তিৰ পোহৰৰ আগত ভক্তৰ হৃদয়ৰ সকলো সাংসাৰিক ভোগ লিপ্সাৰ মায়া আঁতৰি যায়। সংসাৰত থাকিও ভক্ত হয় সংসাৰ ত্যাগী। এনে অৱস্থাৰ পৰা ভক্তি ‘পৰা ভক্তিলৈ’ যায়। এনে জনৰ আগত সকলো প্রকাৰ ভেদ আঁতৰে, পূজা আচাৰ নোহোৱা হয়, শাস্ত্র আদি অর্থহীন হয়,

মূৰ্ত্তি, মন্দিৰ, সকলো ধৰ্ম্মভাগ, জাতি বৰ্ণ আঁতৰে আৰু সংসাৰৰ সকলো বান্ধ অনায়াসে স্খলকি পৰে।

এই ত্যাগ ভক্তিৰ সহায়ক। ই ইচ্ছাকৃত, ইয়াত কঠোৰতা নাই, ই শুকান নহয়, ই যন্ত্রণা শূন্য আৰু কাৰো ওপৰত অত্যাচাৰো ইয়াৰ নাই। ভক্তই তেওঁৰ কোনো ইন্দ্রিয় জোৰ কৰি দমন কৰিব নালাগে; মাত্র তাক আৰু গভীৰ কৰি সকলোৰে মহান্ লক্ষ্য — ঈশ্বৰৰ পিনে ধাবমান কৰিব লাগে। সেই বাবেই মহাপুৰুষ সকলৰ দান আৰু শিক্ষা — একা শৰণ আৰু একান্ত ভকতি— যি ৰসময়ী।

"মোতে মাত্র দিয়া মন মোৰ ভক্ত হোৱা সৰ্ব্বক্ষণ
মোকে পূজা মাত্র কৰা নমস্কাৰ।
কহিলো তোমাত সত্য বাণী পাইবা সুখে মোক মহামানী
তুমি প্রিয়তম সুহৃদ বন্ধু আমাৰ॥"
"মোতে মাত্র সদা দিয়া চিত্ত গায়ো মোৰ গুণ নাম গীত
সকল শাস্ত্রৰ কহিলো সাৰ সাক্ষাত।"

এয়ে সকলো শাস্ত্রৰ মূল শিক্ষা, গীতা-ভাগৱতৰ শিক্ষা আৰু আমাৰ নামঘোষাৰ শিক্ষা।

ভক্তিৰ মূল তত্ত্ব সেই বাবে এয়ে যে আমাৰ নানা ইচ্ছা প্রবৃত্তি আদি বোৰ মূলতঃ ভুল নহয়।



মাত্র তাক দুদিনীয়া সংসাৰিক সুখ ভোগত নলগাই গাৱ লাগে ভগৱান প্রাপ্তি ফলৰ বাবে। যি প্রকৃত ভক্ত তেওঁ নিজৰ বাবে একো নকৰে, তেওঁৰ কোনো আকাঙ্খা নাই, অথচ সকলো পায়। ভকতে "স্বৰ্গ ব্ৰহ্ম পদ, সাৰ্ব্বভৌম অধিপতি, পাতালৰ ভোগ অষ্টাঙ্গ ঐশ্বৰ্য্য, মোক্ষতো নকৰে ৰতি," অথচ "ভকতিত সুখে সমস্তে তাক পাৱয়।" আৰু

"স্বৰ্গ অপবৰ্গ বৈকুণ্ঠকো পাৱে
কিন্তু তাক নবাঞ্ছয়।"

ভক্তই কিছুমান আচাৰ-বিচাৰ মানি চলিব লগীয়া হয়; এই আচাৰ-বিচাৰ নিজৰ অন্তৰ বাহিৰ পৱিত্র কৰিবৰ বাবে। আহাৰ এটি প্রধান লক্ষ্যণীয় বিষয়। যি আহাৰ খোৱা হয়, সেই আহাৰে আমাৰ শৰীৰৰ পুষ্টি সাধন কৰাৰ উপৰিও চৰিত্রত ছাপ বহুৱায়। বানো কোনো পণ্ডিতৰ মতে 'আহাৰ'ৰ অৰ্থ—"যি আহৰণ কৰা হয়।" ই খোৱা বস্তু, ইন্দ্রিয় চিন্তা আদি সকলোকে সামৰি ধৰা বুলিব পাৰি। সেই বাবে শাৰীৰিক আৰু মানসিক পৱিত্ৰতা একান্ত আৱশ্যকীয়।

আহাৰ শুদ্ধিৰ পিছত কামনা বাসনা আদি

ৰিপু দমন। প্ৰকৃততে ইয়াক দমন বোলাতকৈ নিয়ন্ত্ৰণ বা পথ পৰিবৰ্ত্তন বোলা বেছি শুদ্ধ হব। ৰিপুবোৰক ইন্দ্ৰিয় ভোগলৈ যাবলৈ নিদি মহান তৃপ্তিৰ বাট দেখুৱাই দিয়াটো প্ৰকৃত ভক্তৰ কাম, মনক সদায় লগাব লাগিব ঈশ্বৰ চিন্তাত।

শাৰীৰিক পৱিত্ৰতা স্নান আদিৰ দ্বাৰা সম্ভৱ হব পাৰে, কিন্তু মানসিক পৱিত্ৰতা আহে সত্যনিষ্ঠা আন্তৰিকতা, দয়া, অহিংসা আৰু অভিধ্যা বা আনৰ বস্তুলৈ হেঁপাহ নথকাৰ পৰা। ইয়াৰ ভিতৰতে অহিংসা বা কাকো হিংসা বা দ্বেষ নকৰাটো হব লাগিব— কায়, মন আৰু বাক্যৰ।

ভক্তিৰ পথত আৰু এটি সংস্কাৰ— অনৱসাদ বা দুৰ্ব্বলতা হীনতা। "নায়মাত্মা বলহীনেন লভ্যঃ।" মন আৰু শৰীৰ সবল হব লাগিব। সেইবাবে ভক্তৰ স্বাস্থ্য ৰক্ষাও এটি কৰ্ত্তব্য। "শৰীৰমাদ্যং খলু ধৰ্ম্ম সাধনম্।" মনৰ আৰু শৰীৰৰ দুৰ্ব্বলতাই আনন্দ নোহোৱা কৰে। কিন্তু ভক্ত চিৰ-প্ৰফুল্ল হব লাগিব। কিন্তু এই প্ৰফুল্লতাও আকৌ মাত্ৰা অতিক্ৰম কৰি যাব নালাগিব। অতি প্ৰফুল্লতাই ভাৱ গভীৰতা কমায়।



এনেকৈ কিছুমান শিক্ষাৰ দ্বাৰা সংস্কাৰ কৰি নিজক শুদ্ধ কৰি গৈ থাকি ভক্তই ঈশ্বৰৰ প্ৰতি গভীৰ প্ৰেমত মুগ্ধ হৈ পৰিব পাৰে। ভক্তই তেতিয়া সম্পূৰ্ণ সৰল শুদ্ধচিত্তে, কায়মনোবাক্যে অৰ্পণ কৰে নিজক ভগৱন্তৰ পদ-কমলত। তেওঁ বুজি পায়—

"তুমি চিত্ত বৃত্তি মোৰ প্ৰৱৰ্ত্তক নাৰায়ণ
তুমি নাথ মই নাথৱন্ত।
চৰণ ছত্ৰৰ ছায়া দিয়া দূৰ কৰা মায়া
মোক দয়া কৰা ভগৱন্ত॥"

আৰু আকুল ভাৱে অনৰ্গল গাই উঠে—নিছিগাধাৰে—

"হে প্ৰভু ভগৱন্ত ইটো সংসাৰত যত
আছে পাপী মই তাৰ সীমা।
চৰণে থাপিয়ো মোক পতিত পাৱন নিজ
দেখায়োক নামৰ মহিমা।"

ভক্তই ঈশ্বৰৰ ভক্তিৰস পানৰ বাহিৰে একো আকাঙ্খা নকৰে। ঈশ্বৰৰ লগত তেওঁ মিলি যাব নোখোজে; কাৰণ সোৱাদ পাবৰ বাবে মানুহে চেনি খায়, কিন্তু কোনো নিজে চেনি হব নোখোজে সেই বাবে ভক্ত হয় "মুক্তিতো নিস্পৃহ।"

এই ভক্তই সকলোৰে বন্ধু, সকলোৰে প্ৰতি

সমানে দয়ালু। এওঁ প্ৰেমময়, বৈৰীভাৱহীন অথচ মমতাৰ দ্বাৰাও অতি আকৃষ্ট নহয়। সুখ দুখ এই ভক্তৰ মনত সমান। তেওঁ দৃঢ়-নিশ্চয়; তেওঁ মন বুদ্ধি, সকলো ইন্দ্ৰিয় ঈশ্বৰত সম্পূৰ্ণ ভাবে অৰ্পণ কৰি সিহঁতক প্ৰতি মুহূৰ্ত্তে উপদেশ দিছে ঈশ্বৰ ভজিবলৈ।

"কৃষ্ণ নিজ ইষ্ট দেৱ আত্মা প্ৰিয়তম গুৰু
সুহৃদ সোদৰ বন্ধু জন,
কৃষ্ণ গতি মতি কৃষ্ণত ভকতি ৰতি
কৃষ্ণ পাৱে নিমজ্জোক মন।"

এনে ভক্তজনে ক্ৰোধ-হিংসা-ঈৰ্যা-ভয় সকলো ত্যাগ কৰি নিজক পবিত্ৰ ৰাখে, আৰু সাৱধানে থাকে যাতে কেনিও কোনো ফালে একোৱে টানিব নোৱাৰে।

ভক্তৰ এই প্ৰেম ভাষাৰ বৰ্ণনাৰ অতীত। অৱশ্যে মূলতঃ কবলৈ গলে ইয়াত আছে এজন সৰ্ব্বসুন্দৰৰ প্ৰতি এটা আকুল আবেগ আৰু সেই আবেগৰ লগতে এটা চিৰন্তন আকৰ্ষণ। এই সৰ্ব্বসুন্দৰ জন সংস্কৃত (All perfect) বা পূৰ্ণ। এই পূৰ্ণৰ প্ৰতি হেঁপাহৰ আগত সৰু সুৰা কোনো উদ্দেশ্যই স্থান নাপায়। নাৰদে আমাৰ মানুহৰ মাজৰ প্ৰেমকো এনে শাৰীত



ঠাই দিছে। এজনে যেতিয়া এজনক ভাল পায়, তেতিয়া তেওঁ নিজৰ আত্মাৰ ক্ষেত্ৰ বহলাই দিয়ে বা নিজ ব্যক্তিত্ব চেৰাই যায়। এনেকৈ যাওঁতে যাওঁতেই শেষত পৰিবগৈ পাৰে সেই মহা মহীয়ান ভগৱন্তৰ প্ৰেমত। অসমীয়া কাব্যৰ ভিতৰত ৰায় চৌধাৰীৰ "তুমি"ত এই বিভিন্ন স্তৰৰ উপলব্ধি নিখুঁতকৈ দেখুৱাইছে। মানৱৰ প্ৰেম, যেতিয়া শেষ বেৰ অতিক্ৰম কৰি যাব— তেতিয়া পৰিবগৈ পুৰুষোত্তমত বা উপনিষদৰ ব্ৰহ্মত। ই আত্মাক পোহৰ কৰে, জগত মুখৰিত কৰে।

ভক্তই এনেজন ভগৱানৰ ওচৰত ক্ষুদ্ৰাতিক্ষুদ্ৰ হৈ নিজক এৰি দিয়ে, নিজৰ অতি সামন্যতা (insign ificance) অনুভৱ কৰে। যেতিয়া ভক্তৰ অন্তৰলৈ এই দৈন্য আহে, তেতিয়াই ভগৱন্তৰ ক্ৰমে সাক্ষাৎ হবলৈ ধৰে। কাৰণ ঈশ্বৰ দৈন্যপ্ৰিয়। তেতিয়া ভক্তই অতি আকুল ভাৱে, আনন্দত আপ্লুত হৈ, সকলো ইন্দ্ৰিয় নিৰোধ কৰি চিঞৰি উঠে "তুমি নাথ মই নাথৱন্ত— চৰণ ছত্ৰৰ ছাঁয়া— দিয়া দূৰ কৰা মায়া, মোক দয়া কৰা ভগৱন্ত।" মাধৱ দেৱৰো এনে এটা অৱস্থা আহিছিল বাবেই এনে আকুল আৰ্ত্তনাদ কৰিব পাৰিছিল,— য'ত নাই কোনো নিবেদন, নাই ভিক্ষা।

মাত্র তাত আছে আকুল অন্তৰৰ আত্ম-নিবেদন, আবেদন নহয়। তেওঁ দিছেই, একো বিচৰা নাই। তেওঁ অনুভৱ কৰিছে ঈশ্বৰ অবিহনে তেওঁ শূন্য—অৰ্থহীন। ঈশ্বৰেও বিচাৰে এই একান্ত ভক্তি! এনে ভক্তি একুৰা জুই যেন; ই অন্তৰ উজলাই ৰাখে অথচ নোপোৰে; ই পোৰে ভক্তৰ ব্যক্তিত্ব, দেহ ইন্দ্ৰিয়াদি জ্ঞান। পুৰিও ই ভস্ম নকৰে, সোণ উজ্জ্বলোৱাদি ভক্তৰ ব্যক্তিত্ব দেহ-ইন্দ্ৰিয় ঐশ্বৰিক জ্যোতি সম্পন্ন কৰি তোলে। তেতিয়াই ভক্তৰ হয় ব্ৰহ্ম প্ৰাপ্তি।

—০—

## অলপতে প্ৰকাশ হব—

মূল শ্লোক আৰু অসমীয়া পদানুবাদেৰে সৈতে "আচাৰ্য্যসংহিতা" বা গুৰুজনাৰ জন্ম বৃতান্ত।

"পাঠচক্রত" পাব পৰা কিতাপঃ—

শ্ৰীমহেশচন্দ্ৰ দেৱ গোস্বামীৰ

স্মৃতি— (কবিতা)

শ্ৰীযুত ৰত্নকান্ত বৰকাকতীৰ পাতনিৰে সৈতে—

বেচ ৶০ অনা

মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱৰ সংক্ষিপ্ত জীৱনী—

শ্ৰীশ্ৰীগুৰু গুণমালা— বেচ ॥০ অনা

ছামচুল হুদাৰ—

স্মৃতিৰ কণিকা— (কবিতা) ।৶০

হেৰোৱা দিন— (গল্প) ॥৶০

শ্ৰীহৰেন্দ্ৰ দেৱ গোস্বামীৰ—

ভুচুং পন্থ— ।৶০

কুমাৰ শ্ৰীমধুসূদনৰ—

কিমাশ্চৰ্য্যম্— ১॥০